# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ ডিমা হাছাওৰ মুপা ষ্টেচনৰ সমীপত হোৱা ভূমিস্খলনৰ বাবে বদৰপুৰ-লামডিং অংশৰ ৰে'লপথছোৱা বন্ধ হৈ পৰিছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে এই পথছোৱাত পাহাৰৰ পৰা শিল আৰু মাটি খহি পৰাত পুৰা শিলচৰৰ পৰা গুৱাহাটী অভিমুখী এক্সপ্ৰেছ ৰে'লখন আৱদ্ধ হৈ পৰে। শেহতীয়াকৈ জাতিংগা-লামপুৰ অংশত ভূমিস্খলনৰ বাবে একেৰাহে ছদিন এই ৰে'লপথছোৱা বন্ধ হোৱাত যাত্ৰীসকলে দুৰ্ভোগ ভূগিবলগীয়া হৈছিল। যোৱা সোমবাৰে এই ৰে'লপথছোৱাৰে যাত্ৰা পুনৰ স্বাভাৱিক হোৱাত জনসাধাৰণে সকাহ লাভ কৰিছিল যদিও আজি পুনৰ ভূমিস্খলনত ৰে'লপথ বন্ধ হৈ যোৱাত যাত্ৰীসকল অসুবিধাত পৰাৰ আশংকা কৰা হৈছে। ইতিমধ্যে এখন জেচিবি আৰু দুখন এক্সকেভেটৰে সেই অংশটো মুকলোৱাৰ বাবে চেষ্টা কৰি আছে। ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত ১৫৬১৬ শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, ১৩১৭৪ কাঞ্চনজংঘা এক্সপ্ৰেছ, ১২৫২০ আগৰতলা-লোকমান্য তিলক এক্সপ্ৰেছ, ১৫৬১৮ দুৰ্লভছৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু ১৪৬১৯ আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখন বিভিন্ন ষ্টেচনত ৰখাই থ'বলগীয়া হোৱাৰ সম্ভাৱনা আছে।

০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা আজি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা প্ৰাৰ্থীসকলৰ বাবে অহা ৫ৰ পৰা ১০ জুলাইলৈ খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত নথি পৰীক্ষণ কৰা হ'ব। প্ৰাৰ্থীসকলক যাৱতীয় শৈক্ষিক অৰ্হতাৰ প্ৰমাণপত্ৰসহ নথী পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে বৰ্তমান দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ কৰি থকা হৈছে।

০০০০০

সাংসদ গৌৰৱ গগৈয়ে ক'ভিদ মহামাৰীৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৰেই ষ্টপেজ প্ৰত্যাহাৰ কৰা সকলোবোৰ যাত্ৰীবাহী ৰে'লগাড়ীৰ পূৰ্বৰ অৱস্থা বাহাল কৰিবলৈ ৰে'ল ব'ৰ্ডক আহ্বান জনাইছে। ৰে'ল ব'ৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰলৈ লিখা এখন পত্ৰত সাংসদগৰাকীয়ে ডিব্ৰুগড় টাউন ৰে'ল ষ্টেচনটোক অমৃত ভাৰত ৰে'ল ষ্টেচন আঁচনিৰ অন্তৰ্ভুক্ত কৰি ইয়াক পুনৰ বিকশিত কৰিবলৈ ৰে'ল ব'ৰ্ডক অনুৰোধ জনাইছে। সাংসদগৰাকীয়ে চৰাইদেউ জিলাৰ লংপতীয়া আৰু ডিব্ৰুগড় জিলাৰ ডুমডুমা ৰে'ল ষ্টেচন দুটা পুনৰ মুকলি কৰা, ধামাল গাঁও ৰে'ল ষ্টেচনত টাৰ্মিনেল ষ্টেচনৰূপে বিকশিত কৰা আৰু পদসেতু আৰু ৰেম্প নথকা ষ্টেচনসমূহত অনতিপলমে এই সুবিধাসমূহ উপলব্ধ কৰোৱাকে ধৰি অঞ্চলটোত আন্তঃগাঁথনি খণ্ডৰ বিকাশৰ

বাবে কেইবাটাও প্ৰস্তাৱ আগবঢ়ায়। সাংসদগৰাকীয়ে ব্ৰহ্মপুত্ৰ মেইলক কামাখ্যাৰ পৰিৱৰ্তে পুনৰ ডিব্ৰুগড়ৰ পৰা চলাবলৈ, নিউ তিনিচুকীয়াৰ পৰা ৰঙাপৰা হৈ ধুবুৰীলৈ পুনৰ এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন, বেদেতী, বৰগাং আৰু মুনাবাৰী ষ্টেচনত ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা নামতি আৰু নাজিৰাত নাগালেণ্ড এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰা, যোৰহাট জিলাৰ হোলক গিবন অভয়াৰণ্যত ৰছী দলঙৰ ব্যৱস্থা অধিক শক্তিশালী কৰা, গুৱাহাটী আৰু ডিব্ৰুগড় আৰু গুৱাহাটী আৰু শিলচৰৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তন কৰাকে ধৰি আন কেইবাটাও দাবী শীঘ্ৰেই কাৰ্যকৰী কৰাৰ বাবে ৰে'ল ব'ৰ্ডৰ অধ্যক্ষগৰাকীক অনুৰোধ জনায়।

০০০০০

ভাৰতীয় ৰে'লৱেৰ যাত্ৰীৰ আৰক্ষণ তালিকা প্ৰকাশৰ নিয়মৰ ক্ষেত্ৰত কালিৰেপৰা কেতবোৰ সালসলনি ঘটাইছে। সেই অনুসৰি পুৱা ৫ বজাৰ পৰা দিনৰ ২ বজাৰ ভিতৰত যাত্ৰা কৰিবলগীয়া ৰে'লগাড়ীৰ ক্ষেত্ৰত আৰক্ষণ তালিকা আগদিনা নিশা ৯ বজাত প্ৰকাশ কৰা হ'ব। দিনৰ ২ বজাৰ পৰা পিছদিনা পুৱা ৫ বজা পৰ্যন্ত যাত্ৰা কৰিবলগীয়া ৰে'লগাড়ীৰ আৰক্ষণ তালিকা যাত্ৰাৰ ৮ ঘণ্টা পূৰ্বে প্ৰকাশ কৰা হ'ব। এই নিয়মাৱলী অৱশ্যে আৰক্ষণৰ দ্বিতীয় তালিকা প্ৰকাশৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব বুলি ৰে'ল ব'ৰ্ডৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

শিৱসাগৰ জিলাৰ চেৰেকাপাৰৰ হাতীমূৰীয়া গাঁৱৰ দিখৌ নৈত গা ধুবলৈ গৈ সন্ধানহীন হোৱা কিশোৰ দুজনৰ এজনৰ মৃতদেহ আজি শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগত উদ্ধাৰ কৰা হয়। মঙলবাৰৰ পৰা সন্ধানহীন হৈ থকা কিশোৰ দুজনক উদ্ধাৰৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে অভিযান চলাই আছিল। আজি কোঁৱৰপুৰৰ হাৰমতিগড়ৰ দলঙৰ তলত উদ্ধাৰ হোৱা কিশোৰজনৰ মৃতদেহটো পূৰৱ দত্তৰ বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

লখিমপুৰ জিলাত আজি পুৱাৰেপৰা বৃহৎ উচ্ছেদ অভিযান চলোৱা হৈছে। দেবেৰা দলনি, খ্ৰীষ্টান গাঁও আৰু ফুকনৰ হাট নামৰ গাঁও তিনিখনত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬-ৰ পত্ৰণ বিধিৰ অধীনত উচ্ছেদ চলোৱা হৈছে। অঞ্চলকেইটাত অবৈধভাৱে বসবাস কৰা ২১৭ টা পৰিয়াললৈ প্ৰশাসনে ইতিমধ্যে জাননী জাৰি কৰিছিল যদিও দখলকাৰীসকলে প্ৰশাসনৰ জাননীৰ প্ৰতি সঁহাৰি নজনায়। ১২ খন এছকেভেটৰৰ সহায়ত চলোৱা উচ্ছেদ অভিযানত ৬০০ গৰাকী আৰক্ষী জোৱান আৰু অৰ্ধ সামৰিক বাহিনীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত